
পখিলা
দ্বিতীয় সংখ্যা
2025

# অৰ্পণ

যিসকল মহান মনিষীৰ অশেষ কষ্ট, শ্ৰম, সাধনা আৰু ত্যাগৰ ফলস্বৰূপে সকলোৰে গৌৰৱৰ "ৰজাবাহৰ প্ৰাথমিক বিদ্যালয়ৰ" স্থাপনৰ জৰিয়তে অঞ্চলটীলৈ গৌৰৱ কঢ়িয়াই আনিছে। সেই সকল মহান মনিষীক আমাৰ "পাখিলা" ৰ তৰফৰ পৰা সশ্ৰদ্ধ সোঁৱৰণ আৰু প্ৰণিপাত জনাইছোঁ আৰু অনুষ্ঠানটিৰ এই প্ৰয়াসত অৱদান আগবঢ়োৱা প্ৰতিজন শিক্ষাগুৰু আৰু কৰ্মকৰ্তা সকলৰ নামত অৰ্পণ কৰিলোঁ আমাৰ এই "পাখিলা" আলোচনীখন।



# কৃতজ্ঞতা

সাহিত্য সংস্কৃতিৰ ধাৰা অব্যাহত ৰখাৰ স্বাৰ্থত দ্বিতীয় সংস্কৰণৰ হাতে লিখা আলোচনী 'পমিলা' খন গোলাঘাট জিলা শিক্ষক প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা প্ৰকাশ কৰি উলিওৱা হৈছে। 'পমিলা' শিৰোণামাৰে প্ৰকাশ কৰিবলৈ তুলোৱা এই আলোচনী খনৰ বাবে আমাক বিভিন্ন সু পৰামৰ্শ প্ৰদান কৰা প্ৰতিষ্ঠানৰ সন্মানীয় অধ্যক্ষ মহোদয় আৰু প্ৰৱক্তা বৃন্দলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

আলোচনীখনৰ প্ৰস্তুতিৰ ক্ষেত্ৰত বিভিন্ন পৰামৰ্শ প্ৰদানেৰে সহযোগিতা আগবঢ়োৱা খজাবাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী সকল আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত আমি চিৰকৃতজ্ঞ।

শেষত, আলোচনীখনৰ কাম আৰম্ভ কৰাৰ পৰা প্ৰকাশ হোৱালৈকে এই দীঘলীয়া পথ পৰিক্ৰমাত বিভিন্ন ধৰণে নিজ নিজ সময় সহযোগিতা আগবঢ়াই মোৰা প্ৰতিজন প্ৰশিক্ষাৰ্থীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।



# শুভেচ্ছা বাণী

এইটো হৈছে বিশ্বায়নৰ যুগ। এই বিশ্বায়নে মানৱ সভ্যতা বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। বৰ্তমান সকলোতে যান্ত্ৰিকতাৰ ঢৌ, পৰিৱৰ্তনৰ ঢৌ। ইয়াৰ কৰালগ্ৰাসে বৰ্তমান আমাৰ শিশুসকলৰ মনস্তাত্বিক জগত খনতো প্ৰভাৱ বিস্তাৰ কৰিবলৈ লৈছে। তাৰ মাজতো শিশুসকলৰ সৰ্বাংগীন বিকাশৰ প্ৰতি লক্ষ্য ৰাখি শৈক্ষিক জগতৰ লগত জড়িত কিছুলোকে বিভিন্ন কাৰ্যপন্থা গ্ৰহণ কৰিছে। তেনে এটি কাৰ্যৰে অন্তৰ্গত, দেৰগাঁওস্থিত জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান, গোলাঘাটৰ প্ৰথম ষান্মাসিকৰ প্ৰশিক্ষাৰ্থী সকলে ৰজাবাহৰ প্ৰা: বিদ্যালয়ৰ কণ-কণ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতাত হাতে লিখা আলোচনী 'পাখিলা'ৰ দ্বিতীয় সংস্কৰণ প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছে। পূৰ্বৰ সংস্কৰণ খনৰ দৰে এই সংস্কৰণ খনেও পাখিলাৰ দৰেই ছাত্ৰ-ছাত্ৰী সকলক জ্ঞানৰ মৌ সংগ্ৰহ কৰাত সহায় কৰিব। ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভাসমূহ জাগ্ৰত কৰাৰ মানসেৰে DIET ৰ প্ৰশিক্ষাৰ্থীসকলৰ এই পদক্ষেপ সঁচাকৈ শলাগিবলগীয়া।

শেষত প্ৰশিক্ষাৰ্থী সকলৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰো উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ আন্তৰিক শুভ কামনা জনালোঁ।

স্মৰিতা মহন্ত (প্ৰ: শিক্ষয়িত্ৰী)
ৰজাবাহৰ প্ৰা: বিদ্যালয়।

# শুভেচ্ছা বাণী

'আলোচনী' এখনে বিদ্যালয়ৰ কণ কণ শিক্ষাৰ্থী সকলৰ বৌদ্ধিক, মানসিক আৰু শৈক্ষিক উত্তৰণৰ বাহিঃপ্ৰকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেনে এক মহৎ উদ্দেশ্য আগত ৰাখিয়েই জিলা শিক্ষণ আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, গোলাঘাটৰ প্ৰথম ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থীসকলে ৰজাবাহৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগিতাত 'পমিলা' (২য় সংস্কৰণ) নামেৰে এখনি হাতে লিখা আলোচনী প্ৰকাশ কৰিবলৈ লোৱা কাৰ্য নিঃসন্দেহে এক মহৎ কাৰ্য্য।

আশা কৰোঁ প্ৰকাশ হ'ব লগা আলোচনীখনে ভৱিষ্যতে সাহিত্যৰ পথাৰখনত আগবাঢ়ি যোৱাত সহায়ক হওঁক আৰু ভৱিষ্যতে একো একোজন সু সাহিত্যিক ৰজাবাহৰ প্ৰাথমিক বিদ্যালয়ৰ কণ কণ সপোনপিপাসু ময়নাসকলৰ মাজৰ পৰা জন্ম হওঁক আৰু সাহিত্যৰ জগতখনত জোনাতৰা হৈ জিলিকি উঠক।

শেষত পমিলা এখন সৰ্বাংগসুন্দৰ আলোচনী হৈ উঠক, ইয়াৰ লগত জড়িত সমূহ বিষয়ববীয়ালৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ আৰু পমিলাৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

জোন দাস
প্ৰৱক্তা
জিলা শিক্ষণ আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, গোলাঘাট, দেৰগাঁও।



# সম্পাদনা সমিতি

উপদেষ্টা : শ্ৰীমতী প্লাবিতা মহন্ত ।

সম্পাদক : শ্ৰী দ্বিপাংকৰ বৰা ।

সহ: সম্পাদক : শ্ৰীমতী পপী বৰা ।

বেটুপাত অংকণ : শ্ৰী বিজয় বৰা ।

আৰ্হি চাঁওতা : শ্ৰী উচমান আলি ।

আখৰ বিন্যাস : শ্ৰীমতী পৰিণীতা দত্ত ।
শ্ৰীমতী প্ৰিয়ংকা বৰুৱা । (ছাত্ৰী)
শ্ৰীমতী অংকিতা মহন্ত । (ছাত্ৰী)

অলংকৰণত সহায়কাৰী : শ্ৰীমতী ৰশ্মিৰেখা বৰুৱা ।
শ্ৰীমতী তন্ময়ী শইকীয়া ।
শ্ৰীমতী প্ৰীতিৰেখা বৰা ।

সদস্য/সদস্যা : শ্ৰীমতী বৰ্ণালী দলে (সহ: শিক্ষয়িত্ৰী)
শ্ৰীমতী কৃতাঞ্জলী মহন্ত (সহায়ক শিক্ষয়িত্ৰী)

# সূচীপত্ৰ




- সম্পাদকীয় একলম
- সাধু — এটা শিংৰা মাছৰ কথা — নবজিত বৰা
- কাবজা সংকলন — লোভৰ পৰিণাম —
- কবিতা সংকলন — বনভোজ — অনুকৃতা মহন্ত
- — পাখিলা — পৰিণীতা দত্ত (ডি.এল.এড প্ৰশিক্ষাৰ্থী)
- — জানো আহা —
- — আমাৰ ভাৰতবৰ্ষ — অভিলাষ বৰঠাকুৰ
- অংকণ — অনুকৃতা মহন্ত
- — আৰাধ্যা শইকীয়া
- — কৌস্তুভ হাজৰিকা
- — প্ৰিয়ংকা বৰুৱা
- — আৰাধনা শইকীয়া
- — বন্যাশ্ৰী কাশ্যপ
- — ৰিম্পী বৰা
- — অৰ্পিতা কোঁৱৰ

কাৰ্যকলাপ — ক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা

অনুভৱৰ একলব্য — বিজয় বৰা
ৰশ্মিৰেখা বৰুৱা
পাপী বৰা

কলাত — লক্ষ্মী বৰা
সুকন্যা ৰবিদাস
ভাগ্যশ্ৰী বৰুৱা
অনিস্থা হাজৰিকা

অন্যান্য — কৌতুক
মহৎ লোকৰ বাণী
সাঁথৰ
কুঁইজ
গছৰ বিভিন্ন অংশসমূহৰ চিত্ৰ
বাদ্যযন্ত্ৰৰ চিত্ৰ

# সম্পাদকীয় একলম

আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যত নাগৰিক। সেয়েহে প্ৰতিটো ক্ষেত্ৰতে তেওঁলোকক পৰিপক্ক কৰি তোলাটো আমাৰ কৰ্তব্য। বৰ্তমান শিশু সকল প্ৰযুক্তিবিদ্যাৰ উত্তৰণৰ কথা দোহাই দি আলোচনী বা অন্যান্য সাহিত্যিক উত্তৰণৰ দিশ সমূহৰ পৰা প্ৰায় আঁতৰি পৰিলক্ষিত হয়। এই কথাষাৰ আমি মনে প্ৰাণে উপলব্ধি কৰি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান গোলাঘাটৰ পৰা DIP-ৰ বাবে অহা এটি দলে ৰজাবাহৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক সাহিত্যৰ পথাৰখনত নমোৱাৰ উদ্দেশ্যে 'পমিলা' দ্বিতীয় সংস্কৰণৰ জৰিয়তে তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভাসমূহৰ বিকাশৰ আপ্ৰাণ চেষ্টা কৰা হৈছে। সাহিত্য ক্ষেত্ৰখনৰ লগতে শৈক্ষিক সামাজিক ক্ষেত্ৰতো 'পমিলা'ই ছাত্ৰ-ছাত্ৰী সকলক দূৰলৈ যাব বুলি আমি আশাবাদী।

অৱশেষত ওতঃপ্ৰোতভাৱে জড়িত 'পমিলা'ৰ সম্পাদনা সমিতিৰ সকলো সদস্য - সদস্যা, ৰজাবাহৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰীদ্বয়, তত্বাৱধায়ক, প্ৰৱক্তা জোন দাস চাৰ আৰু সকলৰ ছাত্ৰ-ছাত্ৰী সকল, যাৰ হাতৰ পৰশত এই হাতে লিখা আলোচনীখনে প্ৰাণ পালে, সকলোকে ধন্যবাদ জনালো।

অভিজ্ঞহীন বুলি নকওঁ ভুলবোৰ আপোনালোকলৈ এৰিলো। সহৃদয়বান সকলে আঙুলিয়াই দিলে আমি কৃতাৰ্থ হ'ম।

ধন্যবাদেৰে —

দীপাংকৰ বৰা

সম্পাদক


সাধু

# এটা শিঙৰা মাছৰ কথা

এদিন এটা দুখীয়া মানুহে জেকাই বাবলৈ বুলি দিনৰ দিনটো জেকাই বালে, কিন্তু এটা শিঙৰা মাছৰ বাহিৰে সি একো নাপালে। শেষত সি তাকে ঘৰলৈ লৈ যোৱাৰ মনেৰে বাহিৰলৈ ওলাওঁতে শিঙৰাই মাত লগালে, "ককাই, মই শিঙৰাৰ ৰজা; তই মোক নামাৰিবি; মই তোৰ গৰুটো আদায় কৰি দিম।" মানুহজনে কথা শুনি তাক নামাৰিলে আৰু সি গৰুটোৰ টকাও তুমি নিজৰ কাইটেৰে খুচি খুচি তাক আদায় কৰিবলৈ ধৰিলে। এদিন শিঙৰাই গৰুটো চৰাবৰ বাবে অৰণ্যৰ ফালৈলৈ গৈ অৰণ্যত এটা মুখ মেলি থকা বাঘজন দেখিবলৈ পালে। বাঘজনে গৰুটো ধৰিবলৈ যাওঁতে শিঙৰাই তাক বাধা দিলে ক'লে তই প্ৰথমে মোক যদি খাব পাৰ, তেহে মোৰ গৰু চুবি। বাঘজনে অকণমান শিঙৰাটোৰ এনে অহংকাৰ দেখি হাঁহি তাক মোহাৰি মাৰিবৰ মন কৰি হাতেৰে ধৰোঁতেই শিঙৰাই তাৰ হাতত বিহ কাঁইটেৰে বিন্ধি দিলে, তেতিয়াই বাঘজনৰ হাতখনত টেং টেঙনি উফন্দনি উঠিল। বাঘজনে সহিব নোৱাৰি শিঙৰাক তাক এৰি দিবৰ বাবে ক'লে আৰু শিঙৰাক যিহকে লাগে তাকে দিম ক'লে, এইবুলি কোৱাত শিঙৰাই কি দিবা বাঘজনক আগবঢ়াই দিবলৈ ক'লে। বাঘজনে এটা সোণৰ আঙুঠি দি ক'লে যে এই আঙুঠিটোৰ গুণত তোৰ ঘৰ দুৱাৰ সকলো সোণৰ হৈ পৰিব। শিঙৰাই বাঘজনৰ কথা শুনি তাক এৰি দি গৰুটো ঘৰলৈ লৈ আহিল। ঘৰ পাই সি গিৰিহঁতৰ হাতত আঙুঠিটো দি সকলো কথা বিৱৰি ক'লে। শিঙৰাৰ কথা শুনি গিৰিহঁতে আঙুঠিটো ফলপাত এখনত থৈ সেৱা কৰাত তাৰ ঘৰ-বাৰী সকলোবোৰ সোণৰ হৈ পৰিল আৰু

সোণ-ধানেৰে ঘৰ উপচি পৰিল। গিৰিহঁতে তেতিয়াই শিয়ালৰ লগত নিজৰ জীয়েকক কেঁচা পাণ, কেঁচা তামোল কাটি দিয়া দিলে। এইদৰে যতদিন শিয়ালটো মনে মনে নৈৰ ঘাটত সোটটো থৈ গা ধুবলৈ ধৰোঁতে শিয়ালৰ ঘৈণীয়েকে দেখি লাহালাহিকৈ সোটটো আনি জুইত পুৰি পেলোৱাত শিয়ালটো এটি বৰ সুন্দৰ পুৰুষ হৈ পৰিল। তেতিয়া সকলোৱে সুখ আনন্দৰে ৰজাৰ দৰে থাকিবলৈ ধৰিলে।

নাম : নৰজিত বৰা

শ্ৰেণী : চতুৰ্থ

ৰোল নং : ৩

# লোভৰ পৰিণাম

এসময় গাঁৱত এজন মৌৰ বেপাৰী আছিল। তেওঁ বিভিন্ন বজাৰবোৰত মৌ বিক্ৰী কৰি ধন উপাৰ্জন কৰিছিল। মৌৰ বাচনবোৰ অনা নিয়া কৰাৰ সময়ত পতংগবোৰে বেপাৰীজনক বৰ আমনি কৰিছিল। সেইকাৰণে তেওঁ মৌ নিয়া বাচনবোৰ অতি সাৱধানেৰে ঢাকি নিছিল।

এবাৰ চহৰত বেচিবলৈ বুলি তেওঁ একেলগে বহুত মৌ আনিছিল। চহৰলৈ বুলি আনি থাকোঁতে কাৰবাত খুন্দা খাই তেওঁৰ মৌৰ পাত্ৰ এটা ভাঙি গৈছিল। পাত্ৰটো ভাঙি যোৱাৰ পিছত চাইটুকুৰা মৌৰে ভৰি পৰিছিল। পিছত সেই মৌৰ গোন্ধত ওচৰৰ পতংগবোৰ গোট খাইছিল। সেই পতংগবোৰে খেঁপাহ পলুৱাই মৌ খাইছিল আৰু এটা সময়ত পেটৰ গুজনত উৰিব নোৱাৰা হৈছিল। ফলত লুভীয়া পতংগবোৰ তাতেই লাগি ধৰিছিল আৰু উৰিবলৈ চেষ্টা কৰোতে পাখি, ঠেংবোৰ এনেকি এনেকৈ চিঙি মৌতে লগ হৈ গৈছিল। লোভৰ ফলত যে এনে দশা হ'ল সিঁহঁতে ভালদৰে বুজি পাইছিল। শেষত মৌৰ পৰা উৰিব নোৱাৰি পতংগবোৰ তাতেই থাকি থাকিল।


কবিতা
সংকলন

# বনভোজ

আমি গৈছিলো মেলুহা
খাবলৈ বনভোজ,
ইমানয়ে ভাল লাগিল
কামৰ পৰিল বুজ।
লগত গৈছিল মা
কাম কৰিবলৈ,
লগত গৈছিল দেউতাও
অহায় কৰিবলৈ।
ব্ৰেড খালো জাম লগাই
বইল কণীও খালোঁ,
মাছ আৰু জোলেঁৰে
ভাত আনি খালোঁ।
ভাত খাই আমি
পাৰ্কলৈ গলো,
ছি-চ, ঝুলনা, শ্লাইড়
মজাৰে খেলিলোঁ।

অনুকৃতা মহন্ত, তৃতীয় শ্ৰেণী

# পখিলা

হিয়াৰ ফুলনিত এজাক পখিলা
ক'লা, বগা, হালধীয়া
আৰু ৰঙচঙীয়া।
পখিলা পখিলা
ধুনীয়া পখিলা
দেখিলেই মন মুহি যায়
বাগিচাত ফুলৰ পাহিত
বহি আছে
বাটেকৰাই ঘূৰি ঘূৰি চায়।



দুখন পাখিৰে
জীৱন কটায়
বতাহত হালি-জালি
বৰ ভাল পায়
ধৰিব খুজিলেই
উৰা মাৰি গৈ
ফুলৰ পাহিত
পৰে লুকাই।

পৰিণীতা দত্ত
প্ৰথম ষাণ্মাসিক (ডি.এল.এড)
2025 বৰ্ষ

# জানোঁ আহা

কাণেৰে শুনো আমি, চকুৰে চাওঁ
নাকেৰে গোন্ধ লওঁ, জিভাত সোৱাদ পাওঁ।
ভৰিৰে খোজ কাঢ়ি, হাতেৰে কৰো কাম
আঙুলিবো আছে জানা বহুত সজা কাম।
দাঁতেৰে চোবাই আহাৰ গুৰি কৰি লয়,
ছালখনৰ বাবেই শৰীৰ সুৰক্ষিত হয়।

— শ্ৰী বিজয় বৰা।
— ডি. এল. এড. প্ৰথম
ষাণ্মাসিক। ডায়েট, গোলাঘাট।



# আমাৰ ভাৰতবৰ্ষ

শিতানত হিমালয়
দক্ষিণে সাগৰ,
পূব দিনে শাৰী শাৰী
গিৰি মনোহৰ।
পশ্চিম দিশত আছে
আৰব সাগৰ,
ভাৰতবৰ্ষ মোৰেই দেশ
জন্ম জন্মান্তৰ।

কবি - নৱকান্ত বৰুৱা

অভিলাষ বৰঠাকুৰ

# অংকণ




অনুকৃতা মহন্ত
- তৃতীয় শ্রেণী


আৰাধ্যা শইকীয়া



প্ৰিয়ংকা বৰুৱা

[illegible]

বিদ্যালয়=ৰজাবাহৰ প্ৰাথমিক বিদ্যালয়

শ্ৰেণী=তৃতীয়

ৰোল নং=৩




প্রিয়াংকা বড়ুয়া



— অংকিতা মহন্ত

নাম - বন্যাশ্রী কাশ্যপ
রোল নং - 2
শ্রেণী - দ্বিতীয়




APPita
KonWAR

'ক' শ্ৰেণীৰ অঙ্কুৰ ছাত্ৰ-
ছাত্ৰীৰ দ্বাৰা প্ৰস্তুত




'ক' শ্ৰেণীৰ সমূহ ছাত্ৰ-ছাত্ৰী

# অনুভৱৰ একলম



# স্মৃতিৰ দলিচাত

ধুনীয়া ৰামধেনু, সাত বৰণীয়া.....
আমাৰ মৰমৰ বিদ্যালয়খনি তাতোকৈ ধুনীয়া.....

জীৱনৰ ৰূপালী বাটত হাজাৰ স্মৃতিৰ টোপোলা গোটাইছোঁ, তাৰে এটি সোণসেৰীয়া অনুভৱৰ টোপোলা বুটলিলো ৰজাবাৰীৰ প্ৰাথমিক বিদ্যালয়ৰ কণ কণ মইনা মাইনাহঁতৰ আঙুলিৰ বোলত প্ৰাণ পাই উঠা 'পাহিলা'ৰ সুবাসত।

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰা SIP ৰ বাবে প্ৰেৰণ কৰা আমাৰ ৮ জনীয়া দলটোৱে ৰজাবাৰীৰ প্ৰাথমিক বিদ্যালয়ত উপস্থিত হৈ বিলীন হৈছিলো বিদ্যালয়খনিৰ সুন্দৰ পৰিৱেশত। কণ কণ ছাত্ৰ-ছাত্ৰী সকলৰ মধুৰ কথাই আমাক বুজাই দিছিল যে তেওঁলোকে ৰঙীন পাহিলাৰ দৰেই উৰিব বিচাৰে, মুক্ত মনে।

এই নিৰ্মল অনুভৱ মোৰ জীৱনৰ বাবে এক মধুৰ স্মৃতিৰ টোপোলা হৈ হৃদয়ৰ কোণত অক্ষায়িত হৈ থাকিব চিৰকাল, চিৰদিন।

শুভ কামনাৰে -

বিজয়া বৰা
ডি.এল.এড প্ৰথম ষাণ্মাসিক
২০২৪-২৬ বৰ্ষ।

# অনুভৱৰ কিছুদিন

## সময়ৰ সোঁতত এখিলা পাতত
## আকৌ লগ হ'ল এক অনুভৱ।

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰা School Internship Programme ৰ বাবে কাষৰীয়া প্ৰাথমিক বিদ্যালয়লৈ নতুন অভিজ্ঞতা আহৰণ কৰিবলৈ আৰু কিছু তথ্য আহৰণ কৰি শিকিবৰ বাবে আহিছিলো ১৮ ফেব্ৰুৱাৰী তাৰিখে। যত জীৱনৰ এক মধুৰতম সময় পাৰ কৰি আহিছো। প্ৰথম বিদ্যালয়ত সোমাই আহোতেই বিদ্যালয়ৰ পৰিষ্কাৰ পৰিচ্ছন্নতাই, নীতি নিয়মসমূহে, কণ কণ ছাত্ৰ ছাত্ৰী সকলে মনটো মুগ্ধ কৰি তুলিছিল। সিহঁতৰ আগ্ৰহী মনটোৱে আমাৰো সিহঁতৰ প্ৰতি আকৰ্ষিত কৰি তুলিছিল। কণমানি কেইজনীমানে যেতিয়া এদিন মোৰ নামৰ প্ৰথম আখৰটো ফুলেৰে সজাই তুলিছিল আৰু মোক চকু ঢাকি যেতিয়া "Surprise" বুলি চিঞৰিছিল, মনটো অলপসময়ৰ বাবে আৱেগিক হৈ পৰিল। সঁচাকৈ এই বিদ্যালয়ৰ শিক্ষাগুৰু সকল বহুত মৰমীয়াল এই বিদ্যালয়ৰ পৰা শিকিব লগা বহুত আছে, এই বিদ্যালয়খন আমাৰ বাবে এক আদৰ্শ স্বৰূপ।



ৰশ্মিৰেখা বৰুৱা
প্ৰথম ষান্মাসিক (ডি.এল.এড)
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান

# ফাগুনৰ বতৰত ৰজাবাহৰত....

ডি.এল.এড পাঠ্যক্ৰমৰ অন্তৰ্গত 'School Internship Programme' ৰ বাবে ৰজাবাহৰ প্ৰাথমিক বিদ্যালয়ত যোৱা ২৮/০২/২০২৫ তাৰিখে উপস্থিত হৈছিলো। এক নতুন পৰিৱেশ, এক নতুন সময়, ফাগুনৰ বতৰত লঠঙা শিমলুত ৰঙাৰে ৰঙীন হৈ চিৰ সেউজৰ দিশে প্ৰৱাহিত হোৱাৰ দৰে মোৰো জীৱনত যেন এক নতুন যাত্ৰাৰ সূচনা হ'ল। SIP ৰ প্ৰতিটো দিনে মোক দি গ'ল ন ন অভিজ্ঞতা। বিশেষকৈ কন কন ছাত্ৰ-ছাত্ৰী সকলৰ কাৰ্যকলাপে মোক বৰকৈ আপ্লুত কৰিলে। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মহোদয়াকে প্ৰমুখ্য কৰি সহ শিক্ষয়িত্ৰী সকলৰ মৰম আৰু তেওঁলোকৰ কৰ্তব্য নিষ্ঠাৰে মোক আকৃষ্ট কৰাই নহয়, হৃদয়ংগম কৰালে ভৱিষ্যত জীৱনৰ বহু কথা, বিশেষকৈ শিক্ষকতাৰ বৃত্তিত নিয়োজিত হ'বলৈ প্ৰয়োজন হোৱা বিভিন্ন গুণাৱলীৰ। বিদ্যালয়খনত কনমানি কেইটাৰ লগত পাৰ কৰোৱা প্ৰতিটো মুহূৰ্তই স্মৃতিৰ মানসপটত সদায় উজ্জ্বল থাকিব।

পৰ্ণী বৰা
ডি.এল.এড প্ৰথম
ষাণ্মাসিক
২০২৪-২৬ বৰ্ষ।


বসন্ত





আম

আম






# অন্যান্য

# কৌতুক

১। শ্ৰেণীকোঠাত ছাত্ৰ এজনে এন্দুৰ এটা গাতত সোমোৱাৰ দৃশ্য চাই আছিল। তেনেতে —

শিক্ষক: ঐ তন্ময়, মই যে কিবা কৈ আছোঁ, তোৰ মূৰত কিবা সোমাইছে নে নাই?

ছাত্ৰ: হয় ছাৰ, মাত্ৰ নেজদাল বাকী।

২। শিক্ষক: ক'চোন ৰমেন, হৰধনু কোনে ভাঙিছিল?

ৰমেন: মই ভঙা নাই ছাৰ।

দীপক: হয় ছাৰ, ৰমেন ইমান দুষ্ট নহয়।

আস্থা বৰা
তৃতীয় শ্ৰেণী

# মহৎলোকৰ বাণী

১/ নহি জ্ঞানেন সদৃশং পৱিত্ৰমিহ
বিদ্যতে

— গীতা

২/ শিক্ষাই জ্ঞান, জ্ঞানেই শিক্ষা।

— চক্ৰেটিছ

৩/ নজনাটো সিমান লাজৰ কথা নহয়,
শিকিবলৈ যত্ন নকৰাটো যিমান

— বেঞ্জামিন ফ্ৰেংকলিন

৪/ মানুহ হৈছে সপোন দিঠকলৈ পৰিণত
কৰা শিল্পী

— জ্যোতিপ্ৰসাদ আগৰৱালা

৫/ এটা সুস্থ দেহত হে সুস্থ মনৰ বিকাশ হ'ব পাৰে।

— এৰিষ্টটল

৬/ সত্যক কেতিয়াও ঢাকি ৰাখিব নালাগে, কাৰণ
সত্যই অন্ধকাৰক ঘৃণা কৰে।

— মহাত্মা গান্ধী

৭/ কুকুৰ শৃগাল গৰ্দভৰো আত্মা ৰাম,
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।

— শ্ৰীমন্ত শংকৰদেৱ

# সাঁথৰ

১। মাকে বৰশী বায়, পুতেকে আকাশলৈ চায়?

উত্তৰ: বাঁহ গছ

২। হাবিত কোঁহে ওলাই নাহে?

উত্তৰ: কুঠাৰ

৩। ৰজাৰ লাঠি, ঘন ঘন পাঠি?

উত্তৰ: কুঁহিয়াৰ

৪। এজনী কলী গাই, ঘাটে ঘাটে পানী খায়?

উত্তৰ: বৰশী

শুশাংক বৰা
পঞ্চম শ্ৰেণী

# কুইজ

① শ্ৰীসূৰ্য পাহাৰ ক'ত অৱস্থিত ?
উত্তৰ ঃ- গোৱালপাৰাত

② বাঁহী আলোচনীখন প্ৰথম কেতিয়া প্ৰকাশ হৈছিল ?
উত্তৰ ঃ- ১৯০৯ চনত ।

③ মানুহৰ শৰীৰত কিমান লিটাৰ তেজ থাকে ?
উত্তৰ ঃ- ৫ লিটাৰ ।

④ কেতিয়া শৰাইঘাটৰ যুদ্ধ হৈছিল ?
উত্তৰ ঃ- ১৬৭১ চনত

⑤ শৰাইঘাটৰ যুদ্ধত অসমীয়া সেনাপতি কোন আছিল ?
উত্তৰ ঃ- লাচিত বৰফুকন

⑥ চোৰধৰা নাটখন কোনে ৰচনা কৰিছিল ?
উত্তৰ ঃ- মাধৱদেৱ ।

⑦ বাল্মিকীৰ ৰামায়ণ কোনে অসমীয়ালৈ অনুবাদ কৰিছিল ?
উত্তৰ ঃ- মাধৱ কন্দলি ।

⑧ অসমৰ প্ৰথম মহিলা আলোচনীখনৰ নাম কি ?
উত্তৰ ঃ- ঘৰজেউতি ।

আস্থা বৰা
তৃতীয় শ্ৰেণী

# গাছের বিভিন্ন অংশসমূহ



# :~ বাদ্যযন্ত্র :~




= ঢোল



= পেঁপা



= তাল

# আলোকচিত্ৰ


GPS Map Camera
Google
मोलाई कुमार गांव, असम, भारत
MXR8+FX5, मोलाई कुमार गांव, असम 785614, भारत
Lat 26.690533°
Long 93.967188°
22/02/25 10:10 AM GMT +05:30


GPS Map Camera
Google
दोयोंगिया गोअल गांव, असम, भारत
MXW8+JMV, दोयोंगिया गोअल गांव, असम 785703, भारत
Lat 26.696853°
Long 93.966321°


Google
Rangamati, Assam, भारत
173, D K D College Rd, Rangamati, Doyongia Goal Gaon, Assam 785614, भारत
Lat 26.696485°
Long 93.966321°
24/02/25 10:40 AM GMT +05:30


GPS Map Camera
दोयोंगिया गोअल गांव, असम, भारत
MXW8+JMV, दोयोंगिया गोअल गांव, असम 785703, भारत
Lat 26.696853°
Long 93.966321°
21/02/25 11:59 AM GMT +05:30


GPS Map Camera
मोलाई कुमार गांव, असम, भारत
MXR8+FX5, मोलाई कुमार गांव, असम 785614, भारत
Lat 26.690546°
Long 93.967193°
22/02/25 10:09 AM GMT +05:30
Google


GPS Map Camera
मोलाई कुमार गांव, असम, भारत
MXR8+FX5, मोलाई कुमार गांव, असम 785614, भारत
Lat 26.690535°
Long 93.967188°
22/02/25 10:12 AM GMT +05:30
Google


GPS Map Camera
Google
Molai Kumar Gaon, Assam, India
MXR8+FX5, Molai Kumar Gaon, Assam 785614, India
Lat 26.690528°
Long 93.967187°
24/02/25 09:21 AM GMT +05:30


GPS Map Camera
Google
Molai Kumar Gaon, Assam, India
MXR8+FX5, Molai Kumar Gaon, Assam 785614, India
Lat 26.690536°
Long 93.967191°
21/02/25 11:44 AM GMT +05:30


GPS Map Camera
Google
दोयोन्गिया गोल गांव, असम, भारत
MXR8+PRW, दोयोन्गिया गोल गांव, असम 785614, भारत
Lat 26.69304°
Long 93.966777°
24/02/25 10:36 AM GMT +05:30

# অসমৰ জাতীয় সংগীত

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণী দেশ
এনেজন শুৱলা
এনেজন সুফলা
এনেজন মৰমৰ দেশ ।।

অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদী মাত
পৃথিৱীৰ ক'তো
বিচাৰি জনমটো
নোপোৱাৰ কৰিলেও পাত

অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই
চাই লওঁ তোমাৰ
মুখনি এবাৰ
হেঁপাহ মোৰ পলোৱা নাই ।।

~ লক্ষ্মীনাথ বেজবৰুৱা